**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
**-----------------------**

০০০০০০

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হয়।

২।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ পূৰ্বাঞ্চলৰ বাবে বিত্ত যোগানৰ সুকীয়া নিৰ্দেশনা যুগুতাই উলিয়াবলৈ নাবাৰ্ড, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু উত্তৰ-পূব বিত্তীয় উন্নয়ন নিগম লিমিটেডৰ প্ৰতি আহ্বান জনাইছে।

৩।	কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত আজি ৰাজস্থানৰ জয়ছেলমাৰত সামগ্ৰী আৰু সেৱা কৰ পৰিষদ জি-এছ্-টিৰ ৫৫ সংখ্যক বৈঠক অনুষ্ঠিত হয়।

৪।	উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ মদন বি লকুৰক ৰাষ্ট্ৰসংঘৰ আভ্যন্তৰীণ ন্যায় পৰিষদৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে।

***আৰু***

৫।	মহিলাৰ ১৯ বছৰ অনুৰ্ধ্বৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হয়। দেশখনত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ উপ-প্ৰধানমন্ত্ৰী শ্বেইখ ফাহাদ ইউছেফ ছ'ড অল-ছাবাহ আৰু ভালেমান মন্ত্ৰী আৰু গণ্য-মান্য ব্যক্তিয়ে বিমান বন্দৰত উষ্ম আদৰণি জনায়। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে যে এই ভ্ৰমণে ভাৰত আৰু কুৱেইটৰ বিভিন্ন ক্ষেত্ৰৰ লগতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰিব। অনাগত দুটা দিনত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কুৱেইটৰ আমিৰ শ্বেইখ মেছল অল-আহমদ অল-জাবেৰ অল-ছাবাহৰ নিমন্ত্ৰণ মৰ্মে তেওঁ দেশখনলৈ গৈছে। বিগত ৪৩ বৰ্ষত ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়া প্ৰথম কুৱেইট ভ্ৰমণ। প্ৰধানমন্ত্ৰী মোদীক ভাৰতীয় মূলৰ লোকৰ লগতে ১০১ বছৰীয়া প্ৰাক্তন ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া মংগল ছেইন হাণ্ডাই আদৰণি জনাই। প্ৰধানমন্ত্ৰীয়ে লগতে ৰামায়ণ আৰু মহাভাৰতক আৰবী ভাষালৈ অনুবাদ কৰা আব্দুল্লা অল বাৰৌনকো সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ আকাশবাণীৰ মন কী বাত কাৰ্যসূচীত দেশখনৰ সাংস্কৃতিক অৱদানৰ কথা উল্লেখ কৰিছিল।

প্ৰধানমন্ত্ৰী মোদীয়ে উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰাৰ পূৰ্বে দেশখনৰ বায়ান পেলেচত আয়োজিত এটা বিশেষ অনুষ্ঠানত আনুষ্ঠানিক অভ্যৰ্থনা জনোৱা হ'ব। ইয়াৰ পাছত শ্ৰীমোদীয়ে কুৱেটৰ আমিৰ আৰু দেশখনৰ যুৱৰাজৰ সৈতে পৃথক বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত শ্ৰীমোদীয়ে দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলে আয়োজন কৰা আহ্বান মোদী শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ২৬ সংখ্যক আৰবিয়ান গাল্ফ কাপৰ উদ্বোধনী অনুষ্ঠানত কুৱেইটৰ আমিৰৰ বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

কুৱেইটলৈ যোৱাৰ পূৰ্বে এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে কেইবাদশক ধৰি কুৱেইটৰ সৈতে থকা ঐতিহাসিক সম্পৰ্কক গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ কয় যে দুয়োখন দেশ কেৱল বাণিজ্য আৰু শক্তিৰ ক্ষেত্ৰত শক্তিশালী অংশীদাৰীয়েই নহয় বৰং উভয় দেশে পশ্চিম এছিয়াৰ শান্তি, নিৰাপত্তা, স্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ পূৰ্বাঞ্চলৰ পৃথক ভৌগলিক গাঁথনিলৈ চাই অঞ্চলটোৰ বাবে বিত্ত যোগানৰ সুকীয়া নিৰ্দেশনা যুগুতাই উলিয়াবলৈ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক-নাবাৰ্ড, ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু উত্তৰ-পূব বিত্তীয় উন্নয়ন নিগম লিমিটেডৰ প্ৰতি আহ্বান জনাইছে। আগৰতলাত আজি উত্তৰ-পূব বেংক বিষয়াসকলৰ সন্মিলন ২০২৪ক সম্বোধন কৰি শ্ৰীশ্বাহে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি উত্তৰ পূৰ্বাঞ্চলত সৰ্বাধিক বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব বুলি মত প্ৰকাশ কৰে। তেওঁ কয় যে পৰৱৰ্তী ১০ বছৰত উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ গড় হাৰ ২০ শতাংশ হ'ব বুলি আশা প্ৰকাশ কৰিছে। বেংকিং প্ৰতিষ্ঠানসমূহক বিত্ত যোগানৰ ক্ষেত্ৰত কিছু বিপদ মূৰ পাতি ল'বলৈ আহ্বান জনাই শ্ৰীশ্বাহে কয় যে অঞ্চলটোৰ সমৃদ্ধিৰ বাবে বিত্ত নীতি কিছু শিথিল হ'বই লাগিব। তেওঁ কয় যে অপাৰ সম্ভাৱনাৰে ভৰা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰগতি আৰু উন্নয়ন সুনিশ্চিত কৰাটো ৰাষ্ট্ৰীয় কৰ্তব্য। অঞ্চলটো আস্থা আৰু ৰপ্তানিৰ দিশৰ পৰা দেশৰ উন্নয়নৰ মূল দ্বাৰ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ইয়াৰ পূৰ্বে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠক সম্বোধন কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ উন্নয়নত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। যোৱা ১০ বছৰ উত্তৰ-পূবৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি মন্তব্য কৰি শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে বিনিয়োগকাৰীসকলক উত্তৰ-পূবত বিনিয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰিছে। অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰচেষ্টাসমূহৰ ফলত অঞ্চলটোত বিকাশৰ গতি ত্বৰান্বিত হৈছে বুলি কয়। উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থিক আৰু সামাজিক প্ৰগতি দেশৰ অন্যান্য অঞ্চলসমূহৰ সমতূল্য কৰাতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মূল উদ্দেশ্যসমূহৰ অন্যতম বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে। বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গৃহমন্ত্ৰী অমিত শ্বাহে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাসমূহে অঞ্চলটোত উগ্ৰবাদ হ্ৰাস কৰাত মুখ্য ভূমিকা লৈছে বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই কয়, যে বিগত সময়ত অঞ্চলটোত উগ্ৰবাদী কাৰ্যকলাপ পূৰ্বৰ তুলনাত ৭১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে এনে কাৰ্যকলাপত মৃত্যুৰ সংখ্যাও ৬০ শতাংশলৈ কমিছে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত আজি ৰাজস্থানৰ জয়ছেলমাৰত সামগ্ৰী আৰু সেৱা কৰ পৰিষদ জি-এছ-টিৰ ৫৫ সংখ্যক বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত সংবাদ মেল সম্বোধন কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে জটিল ৰোগৰ বাবে গ্ৰহণ কৰা জীৱনৰক্ষী ব্যৱস্থাৰ বাবে অতিকে গুৰুত্বপূৰ্ণ জিন থেৰাপী সামগ্ৰী আৰু সেৱা কৰৰ আওতাৰ বাহিৰত ৰখা হৈছে। ১৯০৪ চনৰ নিয়ম অনুসৰি শ্ৰেণীভুক্ত কৰা পুষ্টিকৰ উপাদানসমৃদ্ধ চাউলৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ক্ষুদ্ৰ কোম্পানীৰ পঞ্জীয়নৰ প্ৰক্ৰিয়া সৰল কৰা হ'ব। বৈঠকত ডেলিভাৰী মঞ্চৰ যোগেদি খাদ্য যোগানৰ কৰ সম্পৰ্কেও আলোচনা হয়। এই সন্দৰ্ভত কোনো সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই বুলি স্পষ্ট কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে এনে মঞ্চৰ ওপৰত কৰ আৰোপ কৰিব লাগে নে নালাগে সেই বিষয়ে ভালদলে আলোচনা কৰা হ'ব। বৈঠকত গোৱা, হাৰিয়ানা, জম্মু-কাশ্মীৰ, মেঘালয়, ওড়িশাৰ মুখ্যমন্ত্ৰীৰ লগতে অৰুণাচল প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশ আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰী আৰু ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

ooooo

উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ মদন বি লকুৰক ৰাষ্ট্ৰসংঘৰ আভ্যন্তৰীণ ন্যায় পৰিষদৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। ৪ বছৰৰ বাবে লকুৰক নিযুক্তি প্ৰদান কৰা হৈছে। তেওঁৰ কাৰ্যকাল ২০২৮ চনৰ ১২ নৱেম্বৰত সামৰণি পৰিব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে ন্যায়াধীশ লকুৰক নিযুক্তি প্ৰদান কৰিবলৈ পাই সন্তুষ্টি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই প্ৰতিষ্ঠা কৰা আভ্যন্তৰীণ ন্যায় পৰিষদে ৰাষ্ট্ৰসংঘৰ ন্যায়িক ব্যৱস্থাত স্বাধীনতা, স্বচ্ছতা আৰু পেছাদাৰিত্ব সুনিশ্চিত কৰিব। ন্যায়াধীশ মদন বি লকুৰে ছবছৰীয়া কাৰ্যকালৰ অন্তত ২০১৮ চনৰ ৩১ ডিচেম্বৰত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে অৱসৰ গ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী জে পি নাড্ডাই আজি ভাৰ্চুৱেল ব্যৱস্থাৰে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীসকলৰ সৈতে চৰকাৰৰ ১০০-দিনীয়া যক্ষ্মা নিৰ্মূল অভিযান সন্দৰ্ভত বৈঠকত মিলিত হয়। শ্ৰীনাড্ডাই এই অভিযানৰ অগ্ৰগতিৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীসকলৰ সহযোগিতাৰ বাবে আহ্বান জনায়। তেওঁ লগতে এই ক্ষেত্ৰত বিধান সভা আৰু বিধান পৰিষদৰ সদস্যসকলৰো সহযোগিতা কামনা কৰে।

ooooo

মুম্বাইৰ নাও দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা আজি ১৫জনলৈ বৃদ্ধি পাইছে। বুধবাৰে সংঘটিত হোৱা দুৰ্ঘটনাৰ ফলত নিৰুদ্দেশ হৈ থকা এটি ৭ বছৰীয়া শিশুৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। শিশুটিৰ মাতৃও এই দুৰ্ঘটনাত মৃত্যু হৈছিল। উল্লেখযোগ্য যে যোৱা বুধবাৰে মুম্বাইত নৌ সেনা বাহিনীৰ সামগ্ৰী কঢ়িওৱা এখন স্পীড বোটে এখন যাত্ৰীবাহী ফেৰীক খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হৈছিল। দুয়োখন নাৱত থকা ১১৩গৰাকী লোকৰ ৯৮গৰাকীক সেইদিনাই উদ্ধাৰ কৰা হৈছিল আৰু ১৩জন লোকে প্ৰাণ হেৰুৱাইছিল। দুৰ্ঘটনাৰ ফলত নিৰুদ্দেশ হৈ থকা দুজন ব্যক্তিৰ এজনৰ মৃতদেহ যোৱা বৃহস্পতিবাৰে উদ্ধাৰ কৰা হৈছিল।

ooooo

হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চৌধুৰী ওম প্ৰকাশ চৌতালাৰ  শেষকৃত্য আজি বিয়লি চিৰছাৰ টেজাখেদা গাঁৱত সম্পন্ন কৰা হয়।   উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, মুখ্যমন্ত্ৰী নায়ব সিং ছেইনী, কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে পুষ্পাঞ্জলিৰে শেষশ্ৰদ্ধা জ্ঞাপন কৰে। সাংসদ কুমাৰী ছেলজা আৰু ৰণদীপ সূৰ্যেৱালাও চৌতালাৰ শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

মহিলাৰ ১৯ বছৰ অনুৰ্ধৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ বাংলাদেশৰ মুখামুখি হ'ব। মালয়েছিয়াৰ কুৱালালামপুৰত অনুষ্ঠিত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতে শ্ৰীলংকাক ৪ উইকেটত পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। খেলখনত ভাৰতে মাত্ৰ ১৪ অভাৰ আৰু ৫টা বলতে ৯৯ ৰানৰ বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ কৰে। প্ৰতিযোগিতাৰ আনখন ছেমি ফাইনেলত বাংলাদেশে নেপালৰ বিৰুদ্ধে ৯ উইকেটৰ জয়লাভ কৰে।

০০০০০

সমাপ্ত